Total No. of Printed Pages—4

## 1 SEM TDC GEAS (CBCS) GE 1 (A/B)

**2021**

( March )

ASSAMESE

( Generic Elective )

Paper : GE–1

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : GE–1 (A)

**( PERFORMING ARTS )**

**( লোক পৰিৱেশ্য কলা )**

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) ‘অসমীয়া লোকসংস্কৃতিৰ আভাস’ গ্ৰন্থখনৰ প্ৰণেতাজনৰ নাম লিখাঁ।

(খ) ইংৰাজী ‘Culture’ শব্দটো ক’ৰ পৰা আহিছে?

(গ) নৰম শতিকাৰ কোনখন গ্ৰন্থই অসমত পুতলা নাচৰ প্ৰচলনৰ ইঙ্গিত দিয়ে?

(ঘ) ‘গুমৰাগ’ কোন জনগোষ্ঠীৰ লোকনৃত্য?

(ঙ) ‘অসমৰ লোকনাট্য পৰম্পৰা’ গ্ৰন্থখনিৰ লেখক কোন?





(চ) ‘কুশান গান’ৰ আৰম্ভণিতে কাৰ বন্দনা কৰা হয়?

(ছ) ‘চিফুং’ কোন শ্ৰেণীৰ বাদ্য?

(জ) ‘ঝুমইৰ নৃত্য-গীত’ কাৰ ৰচনা?

২। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৪×৩=১২

(ক) গায়ক

(খ) দেওধনি

(গ) বাগৰুম্বা

(ঘ) সুষিৰ বাদ্য

৩। (ক) ‘লোক’ শব্দই জনসমষ্টিৰ কোন অংশক নিৰ্দেশ কৰে? লোক অভিধাই সামৰি লোৱা বিভিন্ন ক্ষেত্ৰসমূহ বিচাৰ কৰাঁ। ৪+১২=১৬

*নাইবা*

(খ) বিভিন্নজনে আগবঢ়োৱা কলাৰ সংজ্ঞাসমূহৰ আধাৰত কলাৰ এটি গ্ৰহণযোগ্য সংজ্ঞা দিবলৈ যত্ন কৰাঁ। ১৬

৪। (ক) ড. নবীনচন্দ্ৰ শৰ্মাই আগবঢ়োৱা পৰিৱেশ্য কলাৰ সংজ্ঞাটো কি? পৰিৱেশ্য কলাৰ পৰিসৰে কি কি বিষয় সামৰি লয়? আলোচনা কৰাঁ। ৩+১২=১৫

*নাইবা*

(খ) অসমৰ লোক পৰিৱেশ্য কলাৰ ইতিহাসত লোক-গীতসমূহৰ স্থান নিৰূপণ কৰাঁ। ১৫

৫। (ক) লোক পৰিৱেশ্য কলাৰ অঙ্গ হিচাপে বাদ্যযন্ত্ৰৰ গুৰুত্ব বিচাৰ কৰাঁ আৰু অসমীয়া লোক বাদ্যসমূহৰ বিষয়ে এটি পৰিচয়সূচক নিবন্ধ যুগুত কৰাঁ। ৫+১০=১৫

*নাইবা*

(খ) ‘ফাৰকান্তি’ কি? পৰিৱেশ্য কলা হিচাপে ফাৰকান্তি অনুষ্ঠানৰ বিশেষত্ব বিচাৰ কৰাঁ। ৫+১০=১৫

৬। (ক) অসমৰ লোকনাট্য পৰম্পৰাৰ বিষয়ে এটি প্ৰৱন্ধ যুগুত কৰাঁ। ১৪

*নাইবা*

(খ) অসমৰ প্ৰাচীন লোকনাট্যটিৰ পৰিৱেশন শৈলীৰ বিষয়ে এটি নিবন্ধ লিখাঁ।

Paper : GE–1 (B)

## ( CULTURE OF ASSAM AND CULTURAL TOURISM )

## ( অসমৰ সংস্কৃতি আৰু সাংস্কৃতিক পৰ্যটন )

১। পোনপটীয়া উত্তৰ লিখাঁ : ১×৮=৮

(ক) ‘ফাৰকান্তি’ কোন জনগোষ্ঠীৰ উৎসৱ?

(খ) ‘আৰনাই’ কি?

(গ) ‘বাৰেবৰণীয়া অসম’ গ্ৰন্থখনৰ লেখক কোন?

(ঘ) অসমৰ পঞ্চতীৰ্থ বুলি কোনখন ঠাইক কোৱা হয়?

(ঙ) মাজুলি কি পৰ্যটনৰ ক্ষেত্ৰ হিচাপে পৰিচিত?

(চ) অসমৰ কোনখন ৰাষ্ট্ৰীয় উদ্যানত বনৰীয়া ঘোঁৰা পোৱা যায়?

(ছ) Tourism-অৰ অসমীয়া প্ৰতিশব্দ কি?

(জ) পবিতৰা অভয়াৰণ্য কোনখন জিলাত অৱস্থিত?





২। অসমৰ জনগোষ্ঠীয় সংস্কৃতিৰ স্বৰূপ সম্পৰ্কে যি কোনো এটি জনগোষ্ঠীৰ আধাৰত আলোচনা কৰাঁ। ১২

৩। (ক) পৰ্যটন উদ্যোগ বুলিলে কি বুজা? পৰ্যটন উদ্যোগ গঢ়িবলৈ কেনেধৰণৰ আন্তঃগাঁথনিৰ প্ৰয়োজন? আলোচনা কৰাঁ। ৩+৯=১২

*নাইবা*

(খ) সাংস্কৃতিক পৰ্যটনৰ স্বৰূপ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১২

৪। (ক) অসমৰ সাংস্কৃতিক পৰ্যটনৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বান সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰাঁ। ১৫

*নাইবা*

(খ) অসমৰ সাংস্কৃতিক পৰ্যটন ক্ষেত্ৰখনত পৰিৱেশৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৫। (ক) অসমৰ পুৰাতাত্ত্বিক পৰ্যটনস্থলীসমূহৰ বিষয়ে পৰিচয়মূলক আলোচনা দাঙি ধৰাঁ। ১৫

*নাইবা*

(খ) অসমৰ ধৰ্মীয় পৰ্যটনস্থলীৰ বিষয়ে এটি প্ৰৱন্ধ প্ৰস্তুত কৰাঁ।

৬। চমু টোকা লিখাঁ (যি কোনো **তিনিটা**) : ৬×৩=১৮

(ক) অসমৰ প্ৰাকৃতিক পৰিৱেশ

(খ) অসমৰ চিকিৎসা পৰ্যটন

(গ) অসমৰ গ্ৰাম্য জীৱন

(ঘ) জনজাতীয় জীৱন

★★★